প্ৰ: ২ /১৪

অসমৰ জাতীয় জীৱনৰ অতন্দ্ৰ প্ৰহৰী
স্বৰ্গীয় কীৰ্তিনাথ হাজৰিকা-স্মাৰক-বক্তৃতা

# জাতীয় চেতনা জাতীয় উন্নতিৰ সিংহদ্বাৰ

**নগেন শইকীয়া**

অসম, অসমীয়া ভাষা আৰু অসমীয়া মানুহৰ স্বাৰ্থৰ হকে নিৰ্ভীক কণ্ঠৰে মাত মাতি অহা এগৰাকী সাহসী সাংবাদিক, ব্যঙ্গ লেখক, শিশু-সাহিত্যৰো সফল লেখক, অনুবাদক, কীৰ্তিনাথ হাজৰিকা (২২.৭.১৯২২-৪.৫.২০২২) সাম্প্ৰতিক কালৰ অসমৰ এটি গুৰুত্বপূৰ্ণ নাম। প্ৰখৰ জাতীয়-চেতনাসম্পন্ন এইগৰাকী লেখক-সাংবাদিক আছিল অসমৰ স্বাৰ্থৰ হকে থিয় দি থকা অতন্দ্ৰ প্ৰহৰী স্বৰূপ।

১৯৪৬ চনৰ পৰা 'দৈনিক অসমীয়া' আৰু 'নতুন অসমীয়া'ৰ ক্ৰমে উপ-সম্পাদক আৰু সহকাৰী সম্পাদকৰ দায়িত্ব বহন কৰি অহা কীৰ্তিনাথ হাজৰিকাই ১৯৫৬ চনৰ পৰা ১৯৬৪ চনলৈ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত সেৱা আগবঢ়াইছিল। ১৯৬৫ চনৰ পৰা ১৯৮৬ চনলৈ 'দৈনিক অসম'ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাম কৰি হাজৰিকাই অসমীয়া সংবাদ জগতত এটা নিজস্ব দৃষ্টিভংগী আৰু ধাৰা স্থাপন কৰে। এইগৰাকী সাহিত্যিক-সাংবাদিকক অসম সাহিত্য সভাই ১৯৮৮ চনত হাইলাকান্দিত বহা সভাৰ চৰ্তুপঞ্চাসত্তম অধিবেশনৰ সভাপতিস্বৰূপে বৰণ কৰে। ১৯৮৭ চনত অসম চৰকাৰৰ শংকৰদেৱ বঁটা লাভ কৰোঁতা হাজৰিকা ডাঙৰীয়া সৰ্বভাৰতীয় ভিত্তিত **'দুৰ্গাৰতন বঁটা'** আৰু **'ৰমানাথ গোৱেংকা বঁটা'**ও লাভ কৰে। এইগৰাকী ব্যক্তিৰ স্মৃতিৰ মই আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ। তেখেতৰ সোঁৱৰণত 'জাতীয় চেতনা,জাতীয় উন্নতিৰ সিংহদ্বাৰ' এই বিষয়ে মোৰ মনত খেলাই থকা কেইটিমান কথা নিবেদন কৰাৰ যত্ন কৰিম।

অসমীয়া মানুহৰ প্ৰাণত সুদৃঢ় অথচ উদাৰ, ইতিবাচক জাতীয় চেতনাৰ উচৰ্গাত সাহিত্যৰথী বেজবৰুৱাই ভাষিক জাতীয় চেতনাৰ যোগেদি জাতীয় জাগৰণৰ বাবে দিয়া মন্ত্ৰত ভাষাত জাতীয় মংগলময় মন্দিৰত সিংহদ্বাৰ আখ্যা দিছিল। তেওঁ কৈছিল, "জাতীয় জীৱনৰ ভৰাখুঁতায়েই জাতীয় ইতিহাস আৰু সাহিত্যৰ ভৰাখুঁত।"

জাতি কি - জাতীয়তা কি - পূৰ্বে অনেকে নৃগোষ্ঠী আৰু বিভিন্ন সম্প্ৰদায় সমূহকে জাতি বুলি ভাবিছিল। ঘাই কাৰণ একেটা নৃগোষ্ঠীৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত থকা নিজৰ নিজৰ বৈশিষ্ট্যই মানুহখিনিক একোটা গোটলৈ পৰিৱৰ্তন কৰিছিল। এনে বিভিন্ন প্ৰকাৰবোৰজাত বা জাতি নামেৰে চিহ্নিত হৈছিল। ৰাজতন্ত্ৰৰ যুগত একোজন ৰজাৰ দ্বাৰা শাসিত দেশৰ প্ৰজাসকল সেই দেশৰ নামেৰে চিহ্নিত হৈছিল। এনে চিনাকি নৃগোষ্ঠীগত, ভাষা গোষ্ঠীগত বা আন কোনো সম্প্ৰদায়-ভিত্তিক চিনাকি নাছিল। ঊনবিংশ শতিকাত জাতিৰ এটা সংজ্ঞা 'ষ্টেলিনে' দাঙি ধৰে। তেওঁ চাৰিটা উপাদানৰ কথা কৈছিল, (১) এটা নিৰ্দিষ্ট এলাকা থকা একোটা জন-সমষ্টি, (২) সদৃশ অৰ্থনৈতিক ভিত্তি, (৩) ভাৱ বিনিময়ৰ এটা উমৈহতীয়া মাধ্যম, আৰু (৪) সদৃশ মানসিকতা প্ৰতিফলিত হোৱা সাংস্কৃতিক কাম। এই সংজ্ঞাটোকে কম-বেছি পৰিমাণে গ্ৰহণ কৰে।

যদিও মাৰ্ক্সবাদী অনেকে ভাষাক উপৰিসৌধ (Superstructure) বুলি ক'ব খোজে, ঊনবিংশ শতিকাত প্ৰায় সকলো দেশতে ভাষা-ভিত্তিক পৰিচয়ে প্ৰাধান্য লাভ কৰে। বিভিন্ন ধৰ্ম বা নৃগোষ্ঠীৰ লোকো এটা উমৈহতীয় ভাষাৰ অধিকাৰী হৈ ঐক্যবদ্ধ গোট হৈ পৰে। ভাষাই যিহেতু এনে সমষ্টি সমূহৰ ঘাই পৰিচয় হৈ উঠে সেইবাবে সমষ্টিৰ মাজত এটা আৱেগিক আত্মীয়তাবোধ স্বাভাৱিকতে সৃষ্টি হয়। যি ভাষাৰে মানুহে হৃদয়ৰ ভাৱ, অনুভূতি আনজনৰ লগত সমানে ভগাই ল'ব পাৰে সেই ভাষা মাতৃতুল্য হৈ পৰে। মাতৃভাষা এই শব্দটো পশ্চিমৰ অৱদান। ই (Mother Tongue) অনুবাদ। এই আৱেগিক আত্মীয়তাই জাতীয় চেতনাৰ ঘাই আধাৰ। যিটো ভাষা আত্মপ্ৰকাশৰ স্বাভাৱিক মাধ্যম হৈ গঢ় লৈ উঠে সেই ভাষাটো মানুহে কোনো কাৰণত সলনি কৰিব নোৱাৰে। আন ভাষা অৱশ্যেই শিকিব লাগে আৰু শিকে। ধৰ্ম মানুহে এৰি আন ধৰ্ম ল'ব পাৰে। জীৱন-যাপনৰ পুৰণি প্ৰণালী এৰি নতুন প্ৰণালী ল'ব পাৰে। কিন্তু, ভাষা তেনেকৈ সলাব নোৱাৰে। সেই বাবে ভাষাৰ ঐক্যবদ্ধ কৰি ৰখাৰ শক্তি গুৰুত্বপূৰ্ণ হৈ ৰ'ব।

জাতীয় চেতনাৰ আধাৰত গঢ় লৈ উঠে ৰাজনৈতিক সূত্ৰ - জাতীয়তাবাদ। 'বাদ' মানেই এটা মতাদৰ্শ। সজ্ঞানে যেতিয়া একোটা মতাদৰ্শৰ দ্বাৰা মানুহক একত্ৰ কৰা হয়, তেতিয়াই সি এটা 'বাদ' ism লৈ ৰূপান্তৰিত হয়।

এনে মতবাদৰ দুটা ৰূপ থাকে, এটা উগ্ৰ, এটা উদাৰ। জাতীয়তাবাদৰ ক্ষেত্ৰতো এই দুটা ৰূপ আছে। এটা উগ্ৰ জাতীয়তাবাদ, আনটো উদাৰ জাতীয়তাবাদ। উগ্ৰ জাতীয়তাবাদে নিজৰ জাতীয় সমষ্টিৰ বাহিৰে আনবিলাকৰ প্ৰতি শত্ৰু ভাৱাপন্ন মনোভাব গঢ়ি

তোলে। ই এক প্ৰকাৰ হিটলাৰৰ 'নাজীবাদ' বা ফেচীবাদ'ৰ জন্ম দিয়ে। নিজৰ প্ৰভূত্ব স্থাপন কৰিবলৈ এনে মতবাদে হিংসাৰ আশ্ৰয় ল'বলৈও কুণ্ঠাবোধ নকৰে।

দ্বিতীয়টো উদাৰ জাতীয়তাবাদে অন্যান্য সমষ্টিৰ লগত পৃথকতা স্বীকাৰ কৰি সকলোকে সামৰি সমষ্টিগত জীৱন-যাপনৰ পক্ষত থিয় দিবলৈ শিকায়।

উগ্ৰ জাতীয়তাবাদ গঢ়ি উঠাৰ কেইটামান কাৰণ আছে, (১) নিজৰ সমষ্টিৰ বাহিৰে কোনো লোকসমষ্টি আহি পূৰ্বৰ জনসমষ্টিৰ এলাকা অধিকাৰ কৰা, (২) পূবৰ জনসমষ্টিৰ অধিকাৰৰ ভিতৰত থাকিব লগীয়া অৰ্থনৈতিক সুযোগ-সুবিধা- আদায় কৰা, (৩) পূৰ্বৰ জনসমিষ্টিৰ ভাষিক অধিকাৰ খৰ্ব কৰি নতুন জনসমষ্টিয়ে নিজৰ ভাষিক অধিকাৰ সাব্যস্ত কৰিবলৈ যত্ন কৰা।

এনে কাৰ্যই পূৰ্বৰ সকলৰ মনত নিজৰ সামাজিক, অৰ্থনৈতিক, ভাষিক আৰু সাংস্কৃতিক অধিকাৰ খৰ্ব কৰাৰ শংকাই তেওঁবিলাকৰ মনত নতুন সকলৰ প্ৰতি বিদ্বেষ সৃষ্টি হোৱাত স্বাভাৱিকতে সহায় কৰে। নতুনসকলে যদি আগ্ৰাসী হৈ পৰে,সংঘাতো অনিবাৰ্য হৈপৰে।

জাতি এটাৰ গঠন এটা বিন্দুত ৰৈ নাথাকে। কাৰণ জীৱিকাৰ বৃত্তিৰ অন্বেষণে মানুহক চিৰদিন এঠাইৰ পৰা আন এঠাইলৈ যাবলৈ বাধ্য কৰি আহিছে। এনেভাবে সৰু-সৰু গোট প্ৰব্ৰজন কৰি আহি আন কোনো ঠাইত পুৰণি বাসিন্দাৰ লগত সংমিশ্ৰত হৈ একোটা জাতিৰ সমৃদ্ধি সাধন কৰে। মানুহৰ এইটো স্বাভাৱিক প্ৰকৃতি যে নতুন সকলক প্ৰথমতেই গ্ৰহণ কৰিব নোখোজে। সেই বাবে বহু সময়ত সংঘাতৰো সৃষ্টি হয়, লাহে লাহে সংঘাতে সংমিশ্ৰণৰ বাট কাটি দিয়ে। জীৱিকাৰ বৃত্তিৰ সদৃশতা আৰু বৈবাহিক সম্পৰ্কই সমষ্টিগত জীৱন গঢ়ি তোলাত সদায় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সংঘাত তেতিয়াই সৃষ্টি হয় যেতিয়া প্ৰব্ৰাজন গৰিষ্ঠসংখ্যক মানুহৰ একেলগে ঘটে আৰু পূৰ্বৰ সকলৰ বাবে অধিকাৰ হেৰুৱাৰ সম্ভাৱনা প্ৰকট কৰি তোলে। স্বাভাৱিক প্ৰব্ৰাজনে জাতিক সমৃদ্ধ কৰে, যিদৰে বৈ অহা জল ধাৰাই জীৱনদায়িনী শক্তি স্বৰূপে কাম কৰে। কিন্তু সংখ্যা গৰিষ্ঠৰ প্ৰব্ৰাজন বানপানী সদৃশ হৈ উঠিব পাৰে আৰু এনে প্ৰব্ৰাজন পূৰ্বৰ সকলৰ বাবে যথাৰ্থতেই ভীতি সঞ্চাৰক হ'ব পাৰে।

অসমীয়া মানুহ বুলি ক'লে আমি কি বুজোঁ। নৃতাত্ত্বিক, আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ভাষিক উপাদানেৰে গঢ় লৈ উঠা এটা 'উমৈহতীয়া সমষ্টিগত' জীৱনৰ উত্তৰাধিকাৰ দাবী কৰোঁতাসকলেই অসমীয়াৰ ঘাই আধাৰ। এই উত্তৰাধিকাৰ লাভ কৰাৰ দুৱাৰ সকলোৰে বাবে আগ্ৰহ আৰু প্ৰৱণতা থাকিলে তেনে প্ৰব্ৰজিত সমষ্টিও পূৰ্বৰসকলৰ সমান অংশীদাৰ হৈ পৰে। অসমীয়া মানুহ বুজালেও সেই সকলকে বুজায় যিসকলে ইতিহাসে ঢুকি পোৱা কালৰ আগৰে পৰা ইতিহাসৰ বিভিন্ন সময়ত ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহি নিজৰ বিভিন্ন উপাদানেৰে সামূহিক উমৈহতীয়া জীৱনৰ স্বাৰ্থৰ লগত নিজৰ স্বাৰ্থ অবিভাজ্য কৰি তুলিছে। এই লোকসকল কোন উৎসৰ পৰা, কোন অঞ্চলৰ পৰা কেতিয়া আহি কেনেকৈ এটা সামূহিক জীৱনৰ অধিকাৰী হ'লহি, কেনেকৈ স্তৰে স্তৰে এই জীৱনৰ সমৃদ্ধি আৰু বিকাশ সাধন কৰিলে এই ইতিহাসৰ মাজতে অসমীয়াত্বৰ পৰিচয় নিহিত হৈ আছে।

খ্ৰীষ্টপূৰ্ব চাৰি হাজাৰমান বছৰৰ আগতে অষ্ট্ৰেলয়ডসকল যাক মহাভাৰতত নিষাদ বুলি কোৱা হৈছে এই নৃগোষ্ঠীৰ প্ৰব্ৰজন ঘটিছিল। তাৰ বহু বছৰৰ পিছত কিৰাট্ অৰ্থাৎ আধুনিক নৃতাত্ত্বিক পৰিচয়ৰে মংগোলীয় বুলি কোৱা জনগোষ্ঠীৰ এটা ঠালৰ প্ৰব্ৰজন ব্ৰহ্মপুত্ৰ উপত্যকালৈ ঘটিছিল। কক্ষাত অৰ্থাৎ সীমান্তবাসী এই কিৰাট্সকল কাছাৰীসকলৰ আদি পূৰ্ব-পুৰুষ আছিল। বড়ো শব্দটো ঊনবিংশ শতিকাৰ পৰা পৰিচিত আৰু প্ৰতিষ্ঠিত হোৱা শব্দ। খ্ৰীষ্ঠপূৰ্ব কালতে মংগোলীয় নৃগোষ্ঠীৰ অন্যান্য শাখা-প্ৰশাখা, উত্তৰ-পশ্চিম, উত্তৰ আৰু উত্তৰ-পূবৰ পৰা প্ৰব্ৰজিত হ'বলৈ ধৰিলে। আনহাতদি খ্ৰীষ্টপূৰ্ব চতুৰ্থ-পঞ্চম শতিকা মানতে প্ৰব্ৰাজিত হৈ আহিল আৰ্যভাষী আলপাইন নৃগোষ্ঠীৰ কিছু লোক। আলপাইনৰ পিছত প্ৰব্ৰাজন ঘটিল। অনেকে নেগ্ৰিটো অৰ্থাৎ নিগ্ৰো গোষ্ঠীৰ সৰু গোটৰো প্ৰব্ৰাজন ঘটাৰ কথা কৈছিল। এনেকৈ প্ৰাগ্ ঐতিহাসিকসকলৰ প্ৰব্ৰাজনে ব্ৰহ্মপুত্ৰ উপত্যকালৈ মানুহৰ প্ৰব্ৰাজন ঘটি আহিছে।

আৰ্যভাষীসকল সোমোৱাৰ আগতে প্ৰথমতে সোমোৱা নিষাদসকলৰ অৰ্থাৎ অষ্ট্ৰেলীয়সকলৰ প্ৰব্ৰজনে ব্ৰহ্মপুত্ৰ উপত্যকতাৰ ভাষা আৰু সংস্কৃতিলৈ অনেক অৱদান এৰি থৈ গৈছে। কিৰাট্ বা মংগোলীয় বিভিন্ন ফৈদৰ ভাষাবিলাক আছিল অকাক্ষৰি সুৰীয়া ভাষা। অৰ্থাৎ শব্দ তাত খুব কম আছিল। কোনো ধ্বনিৰ সুৰেৰেই বিভিন্ন অৰ্থ প্ৰকাশ কৰিছিল। এতেকে ব্ৰহ্মপুত্ৰ উপত্যকালৈ সোমাই আহি বিভিন্ন ঠাইত সেৰেঙাকৈ বসতি কৰা এনে সুৰীয়া ভাষা কোৱা জন-সমষ্টিৰ মাজত ভাব-বিনিময়ৰ বাবে শব্দ নিৰ্ভৰ, ভাষা বিকশিত হোৱা নাছিল। সেই বাবে একেটা ফৈদৰে কিছু লোক আঁতৰি গৈ দূৰত থাকিবলৈ ল'লে তেওঁবিলাকৰ ধ্বনিৰ সুৰৰ অৰ্থৰো পৃথকতা ঘটিছিল। আৰ্যভাষীসকলৰ প্ৰব্ৰাজনৰ পিছত প্ৰত্যেকটো বস্তু বা বিষয় বুজোৱা শব্দৰ লাহে লাহে প্ৰৱেশ ঘটিবলৈ ধৰিলে। বহু শ বছৰৰ পিছত বস্তু আৰু বিষয় বুজোৱা শব্দবোৰ উমৈহতীয়াকৈ ব্যৱহৃত হ'বলৈ ধৰাৰ ফলত এটা উমৈহতীয়া ভাষাৰ প্ৰথম ভেঁটি প্ৰতিষ্ঠিত হ'ল। আজি আমি যিটো অসমীয়া ভাষা বুলি কৈছোঁ সেই ভাষাটো ব্ৰহ্মপুত্ৰ উপত্যকাৰ

আৰ্য-ভিন্ন গোটৰ জনসমষ্টিয়ে নিজৰ প্ৰয়োজনৰ লাহে লাহে গঢ়ি তোলা ভাষা। ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিমৰ পৰা নতুনৰ পৰা নতুনকৈ অহা কোনো আৰ্যভাষী লোকে গঠন কৰি দিয়া ভাষা ই নহয়।

খ্ৰীষ্টপূৰ্ব এক শতিকামানৰ পৰা আৰম্ভ হোৱা ভৌম, বৰ্মন বংশৰ ৰাজত্বকালত আৰ্য-ভাষা সংস্কৃতিয়ে ৰচনা কৰি দিয়া পৰিৱেশৰ লগত একাত্ম হৈ আৰ্য-ভিন্ন অনেক লোক আৰ্য-ভাষা আৰু সংস্কৃতিৰ ভিতৰুৱা হৈ পৰিল। এতিয়াৰ অনেক তথাকথিত উচ্চ-বৰ্ণৰ অসমীয়াও এনেভাৱেই আৰ্যভাষী হোৱা আৰ্য-ভিন্ন গোষ্ঠীৰ অৰ্থাৎ কিৰাট্, নিষাদ, দ্ৰাবিড় আদি মূলৰ লোক।

ঐতিহাসিক কালত অসমলৈ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা লোকসকলো ইয়াৰ উমৈহতীয়া জীৱনৰ লগত মিলি গ'ল। আহোম শাসনৰ শাসনৰ সময়লৈকে প্ৰব্ৰজিত হৈ অহা সকলৰ এনে মিশ্ৰণ আছিল স্বাভাৱিক। ব্ৰিটিছ শাসনৰ আৰম্ভণিৰ পৰা অসমলৈ ভাৰতবৰ্ষৰ পৰা বিশেষকৈ বেংগল, বিহাৰ, ওড়িষা, মধ্যপ্ৰদেশ, বৰ্তমান অন্ধ্ৰপ্ৰদেশৰ পৰা যিসকল বিষয়া-কৰ্মচাৰী, শ্ৰমিক কাম কৰিবলৈ অনা হ'ল তেওঁবিলাক স্থানীয় মানুহৰ সংস্পৰ্শলৈ অহাৰ কোনো সুযোগ নাথাকিল। ফলত অসমত প্ৰথমবাৰৰ বাবে উমৈহতীয়া জীৱনৰ প্ৰবাহটোৰ পৰা বিচ্ছিন্ন হৈ থকা জনসমষ্টি স্থাপিত হ'ল। অসমত বৃটিছ শাসনেই দৰাচলতে এনে বিচ্ছিন্নতাৰ সৃষ্টি কৰিলে।

ব্ৰিটিছসকলে প্ৰথমতে আহি অসমীয়া ভাষাৰেই কাম-কাজ চলাইছিল। কিন্তু ব্ৰিটিছ শাসনৰ তিনিটা সিদ্ধান্তই অসমীয়া ভাষাৰ প্ৰথম ক্ষতি সাধন কৰিলে। (১) অসমক বেলেগ ৰাজ্যৰ মৰ্যাদা নিদি বেংগল প্ৰেচিডেন্সিৰ অংগীভূত কৰা কাৰ্য, (২) তেওঁবিলাকে গ্ৰহণ কৰা ভাষা আইন অনুসৰি ব্ৰিটিছ ভাৰতৰ প্ৰত্যেক ৰাজ্যত সেই ৰাজ্যৰ ভাষাকে প্ৰশাসনীয় ভাষা স্বৰূপে প্ৰয়োগ কৰাৰ ফলত বাংলা ভাষাই অসমৰ চৰকাৰী ভাষা হোৱা ঘটনা, (৩) থলুৱা মানুহক আৱশ্যকীয় প্ৰশিক্ষণ দি প্ৰশাসনীয় কামত লগোৱাৰ পৰিৱৰ্তে সকলো কৰ্মচাৰী বেংগলৰ পৰা আমদানি কৰা কাৰ্য।

আহোম শাসনৰ আৰম্ভতে ৰজাই নিজৰ ভাষা প্ৰয়োগ কৰাৰ পৰিৱৰ্তে প্ৰজাৰ ভাষা ইংৰাজী আৰু বংগৰ ভাষা বাংলা প্ৰয়োগ কৰিলে। সাধাৰণ সাধাৰণ মানুহৰ কথা দূৰতে থাকক মুষ্টিমেয় শিক্ষিতৰ মাজতো ভাষিক হীনমন্যতা গঢ় লৈ উঠিল। হলিৰাম ঢেকীয়াল ফুকন, মণিৰাম দেৱান আদি ইয়াৰ প্ৰকৃষ্ট প্ৰমাণ।

সেই সময়ৰ অসমৰ আয়ুক্ত জেনকিন্সে বেংগলৰ শ্ৰীৰামপুৰত থকা ব্ৰিটিছ মিছনেৰীসকলক অসমলৈ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে এটা দল পঠাবলৈ অনুৰোধ কৰিছিল। ব্ৰিটিছ মিছনেৰীৰ মানুহ কম হৈ থকাত তেওঁবিলাকে আমেৰিকান বেপ্টিষ্ট মিছনলৈ খবৰ দিয়ে। আমেৰিকান মিছনে মৌলমেনত থকা নাথান ব্ৰাউন,অলিভাৰ টি কাটাৰ আদিক অসমলৈ পঠালে। তেওঁবিলাকৰ আকাংক্ষা আছিল অসমতে খোপনি পুতি চীন দেশলৈও ধৰ্ম প্ৰচাৰৰ বাবে সোমাবলৈ যত্ন কৰিব। সেই বাবে কোনো লোকৰ ভুল পৰামৰ্শ মতে তেওঁবিলাকে সাত নাৱত কলিকতাত গৈ মিছন পাতে। তেওঁলোকে শদিয়াত খোপনি পুতিয়েই নিজৰ ভুল বুজিব পাৰিলে আৰু অসমীয়া ভাষাৰ গুৰুত্বও অনুভৱ কৰিছে। অসমীয়া ভাষা নহ'লে যে বিভিন্ন গোটৰ মানুহৰ মাজলৈ সোমোৱা সম্ভৱ নহয় সেই কথা অনুভৱ কৰি অসমীয়া ভাষা শিকিবলৈ ল'লে আৰু সোনকালেই এই ভাষাত তেওঁবিলাকে দক্ষতা অৰ্জন কৰিলে।

শদিয়াত খামতি বিদ্ৰোহৰ পিছত মিছন ডিব্ৰুগড় জিলাৰ জয়পুৰলৈ তুলি আনে (১৯৩৯) চনত। জয়পুৰত কিছুদিন থকাৰ পিছত তাৰ পৰা শিৱসাগৰলৈ তুলি আনে। তেওঁবিলাকৰ লগত মাইলছ ব্ৰনচন সপৰিয়ালে আহি যোগ দিয়েহি। তেওঁবিলাকৰ লগত মাইলছ্ ব্ৰনচন সপৰিয়ালে আহি থকাৰ পিছত তাৰ পৰা শিৱসাগৰলৈ তুলি আনে। তেওঁবিলাকৰ লগত মাইলছ্ ব্ৰনচন সপৰিয়ালে আহি যোগ দিয়েহি। তেওঁবিলাকে অসমীয়া ভাষাৰ শব্দকোষকে ধৰি সৰু-সুৰা কিতাপ প্ৰকাশ কৰিবলৈ ধৰিলে। খ্ৰীষ্টধৰ্মৰ পুস্তিকা প্ৰকাশ কৰিবলৈ ধৰিলে আৰু ১৮৪৬ খ্ৰীষ্টাব্দৰ পৰা 'অৰুনোদই' নাম দি এখন মাহেকীয়া সংবাদ-পত্ৰ প্ৰকাশ কৰিবলৈ ল'লে। এইখন আছিল অসমীয়া ভাষাৰ প্ৰথম সংবাদ-পত্ৰ আৰু আলোচনী। অসমীয়া মানুহৰ মাজত নিজৰ ভাষাৰ প্ৰতি থকা হীনমন্যতাবোধ আঁতৰোৱা আৰু চৰকাৰক বাংলা ভাষাৰ ঠাইত অসমীয়া ভাষা প্ৰৱৰ্তন কৰিবলৈ তথ্য আৰু যুক্তি সহকাৰে দৃষ্টি আকৰ্ষণ কৰা এই দুটা লক্ষ্যৰে তেওঁবিলাকে 'অৰুনোদই' অন্যান্য বিষয়ৰ লগতে গুৰুত্ব সহকাৰে ভাষাৰ বিষয় লিখিবলৈ ল'লে। অসমীয়া মানুহৰ মনত ভাষিক জাতীয় চেতনাৰ জাগৰণ আমেৰিকান মিছনেৰীসকলেই প্ৰথম জগাই তুলিলে। এই ভাষিক জাতীয় চেতনাৰ জাগৰণত নেতৃত্ব দিয়া মিছনেৰী ত্ৰিমূৰ্তি আছিল ড০ নাথান ব্ৰাউন, ড০ মাইলছ ব্ৰনচন আৰু অলিভাৰ টি কাটাৰ। এই জাগৰণৰ অসমীয়া ত্ৰিমূৰ্তি আছিল আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেম বৰুৱা। এই জাগৰণৰ ব্যাপ্তি ঘটিছিল শতিকাটোৰ শেষৰ ফালে আৰু এই ব্যাপক জাগৰণৰ ত্ৰিমূৰ্তি আছিল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেম গোস্বামী। লগত আছিল জোনাকী যুগৰ শৰাইঘটীয়া সাৰথিসকল।

এই ৰোমান্টিক আন্দোলনটোত তিনিটা প্ৰধান বলবৰ্দ্ধক কাৰক আছিল। (১) গভীৰ জাতীয় চেতনা তথা দেশাত্মবোধ, (২) উদাৰ মানৱিকবাদ, (৩) ঐতিহ্যলব্ধ জীৱন-দৃষ্টিভংগীসহ ঐতিহ্য-প্ৰীতি। আধুনিক অসমীয়া মন আৰু জাতীয় জীৱনৰ

জাগৰণো এইকেইটা ভাৰশক্তিয়ে যি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি গ'ল, সেই ভূমিকা এতিয়াও সমানে প্ৰাসংগিক হৈ আছে।

জাতীয় চেতনাৰ এই ধাৰাটোক সমকালীন ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পটভূমিত ৰাখি বিচাৰ কৰিলেহে ইয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব বুজা যায়। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে এই শৰাইঘটীয়াসকলে যুদ্ধ নকৰাৰ বাবে বিংশ শতিকাৰ ষাঠি দশকৰ পৰা তেওঁবিলাকৰ সাম্যবাদী আদৰ্শত বিশ্বাসী কোনো কোনোৱে কঠোৰ সমালোচনা কৰি আহিছে। এতিয়াও তেনে দৃষ্টিভংগী সলনি হোৱা নাই। ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ শেষৰ পৰা পিয়লি ফুকন, গমধৰ কোঁৱৰ আদিয়ে ব্ৰিটিছৰ বিৰুদ্ধে কৰা বিদ্ৰোহ, ঊনবিংশ শতিকাৰ ষষ্ঠ দশকত মণিৰাম দেৱান, পিয়লি বৰুৱা, ফৰ্মোদ আলি আদিৰ বিদ্ৰোহ, যাঠিৰ দশকৰ পৰা হোৱা ৰাইজ গণ বিদ্ৰোহ তথা ৰাইজ মেল আদি বিদ্ৰোহ আছিল পৰাক্ৰমী ব্ৰিটিছ শক্তিৰ বিৰুদ্ধে কৰা অসংগঠিত, অস্ত্ৰ-শস্ত্ৰত দুৰ্বল মানুহৰ মাজত এক আবেগিক ঐক্য আৰু সংহতি স্থাপন কৰা। ভাষিক জাতীয় চেতনাই মানসিক ভেঁটি বান্ধি দিছে। নিৰপেক্ষভাৱে, বস্তুনিষ্ঠভাৱে এই ইতিহাস বিচাৰ কৰিব পাৰিলে, ঊনবিংশ শতিকাৰ পৰা গঢ় লৈ উঠা ভাষিক-সাংস্কৃতিক অসমীয়া চেতনা নিন্দা কৰা সম্ভৱ নহয়, ই আছিল সময়ৰ গুৰুত্বপূৰ্ণ প্ৰয়োজন।

ভাষাৰ যোগেদিয়েই মানবীয় চেতনাৰ, সামাজিক চেতনাৰ, নৈতিক চেতনাৰ, বিশ্ব চেতনাৰ প্ৰকাশ ঘটি আহিছে। অসমত ত্ৰয়োদশ/চতুৰ্দশ শতিকাৰ পৰা পোৱা লিখিত সাহিত্যই তাৰ সৰল সাক্ষ্য ধৰি ৰাখিছে। শংকৰদেৱৰ মাজত বিশ্ব চেতনাৰ যিটো ধাৰা ভাৰতীয় উপনিষদীয় চেতনাৰ আধাৰত গঢ় লৈ উঠিল দৰাচলতে সেই চেতনাৰ অসমীয়া মন আৰু জীৱনক আটাইতকৈ সুদৃঢ় এটা ভেঁটি দান কৰিলে। তেওঁ ক'তো অসমীয়া বা ভাৰতীয় মানুহক সম্বোধন কৰা নাই। তেওঁ মানুহক সম্বোধন কৰিছে - দেশ, কাল, নিৰপেক্ষ মানুহক। কিন্তু, তেওঁ নিজৰ দেশীয় ভাষাৰে সেই চেতনা জগাই তুলিছে। মনত ৰাখিব লাগিব যে মানৱীয় চেতনাটো বিশ্বজনীন হ'লেও সি অঞ্চলে অঞ্চলে নিজৰ সামাজিক, সাংস্কৃতিক পটভূমিত ভাষাৰ মাজেদিয়েই প্ৰকাশ লাভ কৰে।

আধুনিক কালত বেজবৰুৱাৰ মাজেদি যিদৰে অসমীয়া জাতীয় চেতনাৰ প্ৰকাশ ঘটিছিল তেনেভাৱে এহাতে ভাৰতীয় চেতনা আৰু আনহাতে বিশ্ব মানৱীয় চেতনাৰো প্ৰকাশ ঘটিছিল। তেওঁ সাহিত্য সভাৰ সভাপতিৰ ভাষণত কৈছে, আজি যদিও আমি পৰাধীন জাতি, যদিও আমাৰ ভাৱ, ভাষা, সাহিত্য তাৰ ফলত সঙ্কীৰ্ণ হোৱাটো স্বাভাৱিক হৈ পৰিছে, তথাপি আমি এতিয়া মূৰে-কপালে হাত দি বেজাৰকৈ হাত সাৱটি বহি থকাটো উচিত নহয়। আমি এতিয়া প্ৰাণপণে চেষ্টা কৰিব লাগিব, আমাৰ সাহিত্যিক আকৌ গঢ়ি তুলিবলৈ, আকৌ যাতে তাৰ সুৰ বিশ্ব-সাহিত্যৰ সুৰেৰে সৈতে মিলি যায়। আমাৰ শৰীৰটো যদিও দাসৰ শৰীৰ, কিন্তু অন্তৰত স্বৰাট ব্ৰহ্মবস্তু আছে, সেই ব্ৰহ্মক সঙ্কীৰ্ণ নকৰি আৰু প্ৰদীপ্ত কৰি ৰাখি লাগিব। কৰ্ণই ক'বৰ নিচিনাকৈ আমিও বীৰদৰ্পেৰে ক'ব পাৰিব লাগিব —

"সুতোহং সুতপুত্ৰোহং যো বা কো বা ভবাম্যহং।

দৈবায়ত্তঃ কুলে জাতো মমায়ত্ত তু পৌৰুষং।।"

তেওঁ এই অভিভাষণতে পুনৰ কৈছে যে মানুহৰ "অন্তৰ-চকুৰেহে, অনন্তৰ ভাব আৰু প্ৰেম, মনৰ প্ৰেৰণা দেখুৱাব আৰু তেতিয়াহে সেই সাহিত্যত বিশ্বৰ মহাপ্ৰাণৰ, মহানন্দৰ মহোৎসৱ সম্পাদিত হ'ব।" দৰাচলতে আধুনিক কালত বেজবৰুৱা হ'ল অসমীয়া জাতীয় চেতনাৰ তথা অসমীয়া মনক বিশ্ব-চেতনাৰ লগত সংযুক্ত কৰা জাগৰণৰ আধিনায়ক স্বৰূপ।

শংকৰদেৱ, বেজবৰুৱাৰ পিছত এই ধাৰাটোৰ অন্যতম বাহক হ'ল জ্যোতিপ্ৰসাদে অসমীয়া গাঁৱৰ ল'ৰাক লুইতৰ বুকুৱেদি মহাসাগৰলৈ যোৱাৰ পথ দেখুৱাই দিছে। এহাতে অসমীয়া জাতীয়বাদ, আনহাতে ভাৰতীয় মহাজাতীয়তাবাদ আৰু বিশ্বমানৱতাবাদ, এইটোৱেই হ'ল জ্যোতিপ্ৰসাদৰ বাদ আৰু অম্বিকাগিৰী ৰায়চৌধুৰী বাদ। অনেকে অম্বিকাগিৰী ৰায়চৌধুৰীক উগ্ৰ জাতীয়তাবাদী বুলি সমালোচনা কৰে। কিন্তু তেওঁ অসমীয়া জাতীয়তাবাদক অসমীয়া মানুহৰ বিকাশৰ আধাৰ স্বৰূপে যিদৰে গণ্য কৰে তেনেকৈ ভাৰতীয় জীৱনৰো এটা অংশ স্বৰূপে গ্ৰহণ কৰে; আৰু কেৱল সেয়ে নহয়, তেওঁ আনকি আলডুছ হাক্সলিয়ে কল্পনা কৰাৰ আগতে গ্ৰহান্তৰত মানুহৰ উপনিৱেশ পতাৰ ভৱিষ্যত প্ৰয়োজনীয়তাৰ কথা কৈছিল।

বিশ্বমানৱ বুলি বেলেগ মানুহ নাই। প্ৰত্যেক অঞ্চলৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক পটভূমিত জন্ম লাভ কৰা আৰু জীৱন-যাপন কৰা প্ৰতিটো মানুহে স্থানীয় বৈচিত্ৰ্য আৰু বৈচিত্ৰ্য আৰু বৈশিষ্ট্যৰ অধিকাৰী হৈয়ো সাৰ্বজনীন মানৱীয় চেতনাৰো সমান অধিকাৰী। নিজৰ জীৱনৰ আধাৰ নষ্ট হ'লে মানুহে তাৰ চেতনাৰ উৎকৰ্ষ সাধন কৰিব ক'ব পৰা। এতেকে তাৰ জীৱনৰ আধাৰ স্বৰূপে স্থানীয় সামাজিক, ভাষিক, সাংস্কৃতিক পটভূমিৰ সংৰক্ষণ আৰু সংবৰ্ধন কৰিবই লাগিব। সেই অৰ্থত অম্বিকাগিৰী ৰায়চৌধুৰী আৰু জ্যোতিপ্ৰসাদৰ চিন্তা আৰু চেতনাৰ সাদৃশ্য মন কৰিব লগীয়া। জাতীয় চেতনা নাথাকিলে আন্তঃৰ্জাতিক চেতনা আহিব ক'ব পৰা। প্ৰব্ৰজনৰ বানপানীয়ে যাতে জাতীয় বৈশিষ্ট্য উটুৱাই নিব নোৱাৰে তাৰ বাবে ৰায়চৌধুৰীয়ে বাৰে বাৰে

সকীয়াই দিছিল আৰু প্ৰব্ৰজিতসকলক উদ্দেশ্য কৰি তেওঁবিলাক আহিছে যদি জাতীয় জীৱনৰ লগত মিলি যাবলৈ আহ্বান কৰিছিল।

ঊনবিংশ শতিকাত ব্ৰিটিছ চৰকাৰৰ দিনত যিসকলক একো একোটা দল স্বৰূপে লৈ আহি অসমত নিযুক্তি কৰা হ'ল তেওঁবিলাক একো একোটা বিচ্ছিন্ন দ্বীপৰ দৰে কৰিবলৈল'লে। অসমত প্ৰথমবাৰৰ বাবে প্ৰব্ৰাজিত জনস্ৰোত মূল ধাৰাৰ লগত মিহলি হৈ যোৱাত প্ৰতিবন্ধকতা সৃষ্টি কৰি দিয়া হ'ল। আহোম ৰজাৰ দিনত প্ৰব্ৰজিত হৈ নাইবা বাহিৰৰ পৰা অনা মানুহক ইয়াৰ স্থানীয় জীৱনৰলগত মিলি যাবলৈ বাধ্য কৰোৱা হৈছিল। সেই অৱস্থা এতিয়া নোহোৱা হ'ল।

আমাৰ এগৰাকী প্ৰসিদ্ধ পণ্ডিত ড০ মহম্মদ তাহেৰ অসমৰ জন-ভূগোল বিচাৰ কৰি দেখুৱাইছে যে প্ৰাগ্ ঐতিহাসিক কালৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ এতিয়ালৈকে প্ৰায় এঘাৰটো ডাঙৰ জনস্ৰোত বৈ আহিছে আৰু শেহৰ জনস্ৰোতটো হ'ল অসমৰ পূব বংগ, মাজৰ পাকিস্তান আৰু এতিয়াৰ বাংলাদেশৰ পৰা হোৱা প্ৰব্ৰজন।

বাংলাদেশৰ পৰা হোৱা প্ৰব্ৰজন ১৯৩০ ৰ দশকৰ পৰা সন্ঢালনীকৈ আৰম্ভ হ'ল। সেই সময়ৰ অসমৰ প্ৰধানমন্ত্ৰী চৈয়দ চাদুল্লাৰ অধিক শস্য উৎপাদন কৰাৰ আঁচনি কাৰ্যকৰী কৰাৰ বাবে 'লাইন প্ৰথা' প্ৰৱৰ্তন কৰি পূৰ্ব বংগৰ মইমুন সিঙকে ধৰি বিভিন্ন অঞ্চলৰ দৰিদ্ৰ ইছলাম ধৰ্মাৱলম্বী খেতিয়কক সোমাই আনিলে। এই মানুহখিনি মইমুন সিঙিয়া নামেৰে পৰিচিত হ'ল। এই সোঁত ক্ৰমাৎ বাঢ়িবলৈ ল'লে। মাটিহীন খেতিয়কে যেতিয়া বিনামূল্যে পাব পৰা মাটিৰ সন্ধান পালে স্বাভাৱিকতে তেওঁলোক তেনে মাটিৰ প্ৰতি আকৃষ্ট হ'ল। একাদশ দশকমানৰ পিছত এনেভাৱে প্ৰব্ৰজন কৰা মানুহ কেৱল জলাশয় পতিত মাটিতেই সীমাবদ্ধ হৈ নাথাকিল, ক্ৰমাৎ অন্য ঠাইলৈও বিয়পিবলৈ ধৰিলে। ১৯৪৭ চনত অম্বিকাগিৰি ৰায়চৌধুৰীয়ে অসমৰ এখন মানচিত্ৰ আঁকি পূব বংগৰ পৰা অহা মানুহৰ সোঁত কোন কোন ঠাইলৈ বিয়পি গৈছে কাঁড় চিন মাৰি তাত আঁকি দেখুৱাইছিল। সেই সময়ত কোনেও গুৰুত্ব দিয়া নাছিল।

১৯৪৭ চনৰ আগে আগে ভাৰতবৰ্ষক দ্বিখণ্ডিত কৰি পাকিস্তান গঠনৰ সময়ত অসমক পূব পাকিস্তানৰ লগত সাঙুৰি দিয়াৰ যত্নও কৰিছিল। গোপীনাথ বৰদলৈৰ উদ্যোগ আৰু গান্ধীজীৰ সমৰ্থনত সেই প্ৰস্তাৱ গ্ৰাহ্য নহ'ল। শ্ৰীহট্টক পূব পাকিস্তানৰ লগত সংযুক্ত কৰি দিয়া হ'ল।

অসমৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হ'ল যে নতুন বিদেশী ৰাষ্ট্ৰ পাকিস্তানৰ পূৰ্বৰ পৰা অবৈধভাৱে ঘটি থকা প্ৰব্ৰজন বন্ধ কৰিবৰ বাবে কোনো চৰকাৰী কঠোৰ প্ৰতিৰোধ গঢ়ি তোলা নহ'ল। ক'বলৈ গ'লে আজিও, এই মুহূৰ্ততো গঢ়ি তোলা হোৱা নাই। ফলত পূব পাকিস্তানৰ মাটিহীন দৰিদ্ৰ ইছলাম ধৰ্মী খেতিয়কেৰে অসমৰ চৰ-চাপৰি অঞ্চল ভৰি পৰিবলৈ ধৰিলে। কঠোৰ পৰিশ্ৰমী এই মানুহখিনিৰ কোনো ৰাজনৈতিক, ভাষিক বা সাংস্কৃতিক আগ্ৰাসনৰ লক্ষ্য নাছিল। জীৱন আৰু জীৱিকাৰ তাড়নাতেই প্ৰব্ৰাজিত হৈ আহিছিল। শিক্ষা-দীক্ষাহীন মানুহখিনিৰ পৰিয়াল অসমৰ পুৰণি হিন্দু-মুছলমানতকৈ বহু গুণে বেছি সংখ্যাত বাঢ়িবলৈ ধৰিলে। তেওঁলোকৰ মাজত যিবোৰ মুৰব্বী গঢ় লৈ উঠিলে তেওঁবিলাকেই এই মানুহখিনিৰ নিয়ন্ত্ৰক হৈ পৰিল। এনেকৈয়ে অসমত জনগাঁঠনিৰ পূৰ্বৰ চৰিত্ৰ সলনি হ'বলৈ আৰম্ভ কৰিলে। স্বাধীন ভাৰতবৰ্ষত গৃহীত সংবিধান অনুসৰি আয়োজিত নিৰ্বাচনত জয়লাভ কৰিবৰ বাবে ৰাজনৈতিক ক্ষমতাৰ অভিলাষী অনেকে এই মানুহখিনিক নিজৰ 'ভোটবেংক' স্বৰূপে ব্যৱহাৰ কৰিবলৈ ল'লে। অনেক আমোল-বিষয়াইও অৰ্থৰ লোভত তেওঁবিলাকক সংস্থাপিত হোৱাত সহায় কৰিলে। এই অৰ্থৰ লোভতে সীমান্তৰ ৰথীসকলেও অসমলৈ বিদেশী নাগৰিক সোমাই অহাৰ সুৰুঙা উলিয়াই ল'বলৈ ধৰিলে। ১৯৭১ চনত পূব পাকিস্তানে স্বাধীনতা লাভ কৰি বাংলাদেশ হোৱাৰ সময়ত লাখ লাখ হিন্দু আৰু মুছলমান মানুহ যুদ্ধৰ সময়ত অসমলৈ পলাই আহিল। ১৯৭৮ চনৰ নিৰ্বাচনৰ সময়ত ধৰা পৰিল যে এনেভাৱে সোমাই অহা অনেক প্ৰব্ৰাজনকাৰীৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। অসমত এনে অবৈধ নাগৰিকৰ অন্তৰ্ভুক্তিৰ বিৰুদ্ধে আন্দোলন গঢ়ি উঠিল। সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত গণ সংগ্ৰাম পৰিষদ গঠিত হ'ল। আন্দোলনে নতুন মাত্ৰা লাভ কৰিলে।

এই আন্দোলনৰ ন্যায্যতা স্বীকাৰ কৰি চৰকাৰে বাংলাদেশৰ মুক্তি যুদ্ধৰ সয়মত সোমোৱা সকলোকে ধৰি অবৈধভাৱে অহা নাগৰিকসকলক বৰং ৰক্ষণাবেক্ষণ দিবৰ বাবে উঠি পৰি লাগিল। এই আন্দোলনটোৰ বিপক্ষে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰেই নহয় আনকি অসমৰ বাওঁপন্থী দলে অনেক বুদ্ধিজীৱিও থিয় দিলে। আন্দোলন যেতিয়া বিশাল ৰূপ ধাৰণ কৰিলে না-না অবাঞ্চিত ঘটনাও ঘটিবলৈ ধৰিলে।

আন্দোলনৰ প্ৰথম অৱস্থাত ব্যৱহৃত বহিৰাগত শব্দটো 'বিদেশী' শব্দলৈ সলাই লোৱা হ'লেও আন্দোলন বিৰোধীসকলে আনকি ভাৰতীয় বিভিন্ন ভাষা-ভাষী লোকৰ মাজত,. আনকি চাহ বাগিচাৰ লোকসকলৰ মাজত আৰু থলুৱা জনগোষ্ঠীসমূহৰ মাজতো আন্দোলনৰ বিৰুদ্ধা মনোভাৱ সোমাই দিয়াৰ বাবে যত্ন কৰিবলৈ ধৰিলে। সংঘাত অনিবাৰ্য হৈ পৰিল। অসম ৰক্তাক্ত হ'ল।

এই অৱস্থাৰ বাবে চৰকাৰ, বামপন্থীসকল আৰু একাংশ বুদ্ধিজীৱীয়ে আন্দোলনৰ গুৰি ধৰোঁতাসকলক জগৰীয়া কৰিবলৈ যত্ন কৰিলে। সেই যত্ন আজিও চলি আছে।

সেই সময়ত কীৰ্তিনাথ হাজৰিকা ডাঙৰীয়াই দিয়া আদৰ্শগত নেতৃত্বৰ কথা সদায় স্মৰণীয় হৈ ৰ'ব। অনেকে তাৰ বাবে আজিও তেওঁক সমালোচনাৰ কাঠ গড়াত থিয় কৰাব খোজে।

মই নিজে সেই সময়ৰ লেখাত বামপন্থীসকলক বাৰে বাৰে আহ্বান কৰিছিলোঁ যে এই গণ আন্দোলনটোৰ বিৰোধিতা নকৰি তেওঁবিলাক আহি তাত চামিল হওক আৰু আন্দোলনটো যাতে অগ্ৰহণীয় বাটেৰে নাযায় তাৰ প্ৰতি চকু ৰাখি নেতৃত্ব দিয়ক। আন্দোলন ক্ৰটি-বিচ্যুতি নিশ্চয় নোহোৱাকৈ থকা নাছিল। কিন্তু, ক্ৰটি-বিচ্যুতিক ডাঙৰ কৰি মূল সমস্যাটোক সৰু কৰি পেলোৱা এই লোকসকলক কেনেকৈ প্ৰশংসা কৰে? স্বাধীনতা লাভৰ পিছত কাশ্মিৰত পশ্চিম পাকিস্তানৰ আঠজন অনুপ্ৰৱেশকাৰী সোমাওঁতে ভাৰতৰ সংসদত তোলপাৰ লাগিছিল। কিন্তু, অসমলৈ লাখ লাখ বিদেশী লোক পাৰপত্ৰ নোহোৱাকৈ সোমাই অহাৰ পিছতো ৰাজ্য চাৰকাৰ, কেন্দ্ৰীয় চাৰকাৰ সকলোৱেই বৰং এই অনুপ্ৰৱেশ কৰা সকলৰ সপক্ষে থিয় দিয়া দেখা গ'ল। অসমৰ বাবে বোধকৰোঁ ইয়াতকৈ ডাঙৰ দুৰ্ভাগ্য আৰু একো নাই। গোপীনাথ বৰদলৈৰ দূৰ-দৃষ্টিসম্পন্ন নেতাৰ সংখ্যা যে অসমত শূন্য বৰং বাৰে বাৰে দিল্লীৰ শ্ৰুতলিপিৰে আৰু নিজৰ আৰু দলৰ স্বাৰ্থৰ সন্মুখত অসমৰ স্বাৰ্থ বলি দি কাম কৰা লোকৰ সংখ্যাই হ'ল আটাইতকৈ অধিক।

প্ৰশ্ন হ'ব পাৰে বাংলাদেশৰ পৰা প্ৰব্ৰাজিত হৈ অহা মানুহখিনিক মুছলমান হোৱাৰ বাবেই অসমৰ মানুহে বিৰোধিতা কৰিছে নেকি? অভিবাসীসকলক বাংলাদেশী বুলি ধৰাৰ প্ৰশ্ন নাই। তেওঁবিলাক কেতিয়াবাই ন-অসমীয়াৰ পৰা অসমীয়া হ'ল। ১৯৭১ চনত বাংলাদেশ হোৱাৰ পিছত বাংলাদেশৰ পৰা অনুপ্ৰৱেশ কৰি অসমৰ জনগাঁথনি সলাই দিয়া সকলৰ হে অসমীয়া মানুহে বিৰোধিতা কৰিছে। অসমৰ খিলঞ্জীয়া হিন্দু-মুছলমানৰ মাজততো কোনো প্ৰকাৰৰ দ্বেষ-বিদ্বেষ থকাৰ কোনো প্ৰশ্ন নাই। বৰং অসমীয়া মুছলমানসকলে প্ৰাণখুলি গাই —

জনমে মৰণে মই চিৰদিন অসমীয়া
অসমীয়া দেহ প্ৰাণ মন
জীয়াই থাকোঁতে মই অসমৰে অসমীয়া
মৰিলেও বুৰি ল'ম অসমৰ অমিয়া মৰণ

অসমীয়া মানুহৰ প্ৰথম পৰিচয় হ'ল তেওঁলোকৰ ভাষা আৰু সংস্কৃতি। ধৰ্মৰ পৰিচয়েৰে অসমীয়া মানুহে নিজৰ পৰিচয় নিদিয়ে। হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান, বৌদ্ধ, শিখ এই সকলো ধৰ্মৰ অসমীয়া মানুহে চিৰদিন সহোদৰ ভাতৃস্বৰূপে বসবাস কৰি আহিছে। আনকি ভাৰতবৰ্ষৰ অন্য অন্য অঞ্চলৰ পৰা অহা লোক আহি অসমীয়া মানুহৰ এই সুঁটিটোত মিলি গৈ ইয়াক সমৃদ্ধ কৰিছে। সেয়ে নহয় পূব বংগ তথা পূব পাকিস্তানৰ পৰা প্ৰব্ৰাজিত হৈ অহা লোক সকলো অসমীয়া ভাষা আৰু সংস্কৃতিৰ মাজত জীণ গৈ পূৰ্ণ অসমীয়া হৈ উঠিছে। অধ্যক্ষ আব্দুল হাই, লেখক ইলিমুদ্দিন দেৱানকে মুখ্য কৰি এনে অজস্ৰ লোক ওলাব যিসকলৰ পৰিচয় অসমীয়া ভিন্ন একো নহয়। মনত ৰাখিবলগীয়া যে অসমত ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা আজানপীৰৰ দৰে সন্তসকল আছিল চুফী। চুফীসকলে ধৰ্মৰ বাহিৰৰ আচৰণতকৈ সদায় গুৰুত্ব দিয়ে তাৰ তত্বত। ইছলামৰ মূল তত্ব ভাৰতীয় সনাতম ধৰ্মৰ মূল তত্বৰ লগত আৰু শংকৰদেৱৰ নামধৰ্মৰলগত মূলতঃ পৃথক নহয়, সেইবাবে অসমত ধৰ্মবিদ্বেষ নাই।

যদি সেয়ে হয় মুছলমানৰ সংখ্যা বৃদ্ধিয়ে কি ভাবুকিৰ সৃষ্টি কৰিব? ভাবুকি ধৰ্মই অনা নাই, ভাবুকি আনিছে ৰাজনীতিয়ে। যেতিয়া স্বাৰ্থান্ধ ৰাজনীতিকসকলে ধৰ্মীয় মৌলবাদৰে বাংলাদেশৰ পৰা অহা লাখ লাখ দৰিদ্ৰ কৃষকক একত্ৰিত কৰি ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰিব খোজে, স্বাভাৱিকতেই তেনে কাৰ্য কেৱল ৰাজ্যখনৰ বাবেই নহয় দেশখনৰ বাবেও এটা ভাবুকিত পৰিণত হোৱাৰ লক্ষ্যণ ধৰা পৰে।

ধৰ্মক ৰাজনীতিৰ হাতিয়াৰ স্বৰূপে ব্যৱহাৰ কৰা কাৰ্য কোনো প্ৰকাৰেই গ্ৰহণীয় নহয়।

আৰু এটা কথা লক্ষ্যণীয় হৈ পৰিছে অসমৰ বিভিন্ন মছজিদত অসমীয়া মোল্লা বা মৌলবীৰ পৰিৱৰ্তে বাহিৰৰ পৰা আহি যিসকল স্থলাভিষিক্ত হৈছে তেওঁবিলাকৰ বাবে ধৰ্মৰ বহিৰংগই ধৰ্ম। সেই শিক্ষাকে তেওঁলোকক আঁতৰাই দিয়াৰ যেন এটা পৰিকল্পিত যত্ন ইয়াৰ মাজত সোমাই আছে এনে সন্দেহ হ'বলৈ ধৰে। হিন্দু-মুছলমান সকলোৰে বাবে ভয়ংকৰ ক্ষতিৰ কাৰণ।

ধৰ্মীয় মৌলবাদী যে কেৱল মুছলমানসকলৰ মাজত আছে এনে নহয়। হিন্দুৰ মাজতো মৌলবাদী শক্তি সক্ৰিয় হৈ

উঠিবলৈ ধৰিছে। গৰিষ্ঠ সংখ্যক অসমীয়া মানুহক এনে মৌলবাদী মতে আকৰ্ষণ নকৰিলেও এটা বিদ্বেষৰ মনোভাৱ গঢ়ি তোলাৰ পথ উলিয়াই দিব পাৰে। এই ক্ষেত্ৰতো আমি হ'ব লাগিব অত্যন্ত সতৰ্ক।

ঊনবিংশ শতিকাৰ পৰা জন্ম আৰু বিকাশ লাভ কৰা জাতীয় চেতনাৰ লগত ঘাইকৈ শিক্ষিক মধ্যবিত্ত শ্ৰেণীয়েই নেতৃত্ব দি আহিছে। পৃথিৱীৰ সকলো ঠাইতে এই পৰিচয় লাভ কৰা যায়। ব্ৰহ্মপুত্ৰ উপত্যকাত সকলো ফালৰ পৰাই অসমীয়া ভাষাই হ'ল শক্তিশালী আধাৰত প্ৰতিষ্ঠিত ভাৰতীয় আৰ্য ভাষাৰ উত্তৰ পূব ভাৰতীয় ৰূপ। ইন্দো-আৰ্য ভিন্ন মূলৰ ধ্বনি-নিৰ্ভৰ, একাক্ষৰি, ওড়িয়া ভাষা ব্যৱহাৰ কৰা গোটসমূহৰ বাবেও অসমীয়া ভাষাই হ'ল বহল ব্যৱহাকিৰ ৰাজহুৱা জীৱনৰ ভাষা।

এই থলুৱা ভাষা-ভাষীসকলৰ মাজত শিক্ষিতৰ সংখ্যা আছিল অত্যন্ত কম। কোনো কোনো গোটৰ মাজত শিক্ষা-দীক্ষা লাভ কৰা মানুহ প্ৰায় নাছিলেই। ব্ৰিটিছৰ দিনত শিক্ষাৰ প্ৰসাৰ আছিল অত্যন্ত সীমিত। এতেকে এনে গোটসমূহৰ পৰা যি কম সংখ্যক লোক শিক্ষা ল'বৰ বাবে ওলাই আহিছিল তেওঁবিলাকে অসমীয়া মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত শিক্ষাৰ প্ৰসাৰ ঘটিল আৰু এনে পৰিচয় লাভৰ আশংকাই আত্মপ্ৰকাশ লাভ কৰিবলৈ ধৰিলে। ইয়াৰ ফলস্বৰূপে লাহে লাহে এনে গোটসমূহৰ মাজতো স্বাভাৱিকভাৱেই এক ভাষিক জাতীয় চেতনাৰ জন্ম হ'বলৈ ধৰিলে। ষাঠিৰ দশকৰ পৰা লাহে লাহে আত্মপ্ৰকাশ কৰা এই চেতনা প্ৰায় আটাইবিলাক থলুৱা জনগোষ্ঠীয় ভাষা ব্যৱহাৰ কৰি থকা সামাজিত গোটসমূহৰ মাজত জাগ্ৰত হ'বলৈ আৰম্ভ কৰিলে। ভাষাৰ বিকাশ সাধিত নহ'ব। এই বিভ্ৰান্তিকৰ মনোভাৱে এটা বিৰোদ্ধ মনোভাৱৰ জন্ম দিলে। অসমীয়া ভাষা পূৰ্বতে কৈ অহাৰ দৰে উচ্চবৰ্ণৰ আৰ্যভাষীসকলে জন্ম দিয়া ভাষা নহয়। তথাপি এনে ভাব প্ৰচাৰিত হ'বলৈ ধৰিলে অসমীয়া ভাষীসকল আৰ্য আৰু তেওঁলোক বহিৰাগত। থলুৱা ভাষা কোৱা সকলোহে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আদিম মানুহ। কিন্তু কোনো কোনো ক্ষেত্ৰত যে বিষয়টো ওলোটা সেই কথা বুজিবলৈ আৰু বুজাবলৈ কোনো আগবাঢ়ি নাহিল। আনকি কোনো কোনো বাওঁপন্থী আদৰ্শত বিশ্বাসী দল আৰু লোকেও এই বিভ্ৰান্তিকতৰ তত্ত্ব প্ৰচাৰ কৰিবলৈ ধৰিলে। ইয়াৰ ফলত অসমত অত ভাষিক বিচ্ছিন্নতাক আমি ৰাজনৈতিক দৃষ্টিভংগী গঢ় লৈ উঠিল।

এহাতে অসমৰ থলুৱা ভাষা-ভাষীসকল, আনহাতে চৰ-চাপৰিৰ বাসিন্দাসকল; এহাতে চাহ বাগিচাৰ শ্ৰমিকসকল, আনহাতে ভাৰতৰ বিভিন্ন ঠাইৰ পৰ আহি বসবাস কৰা বিভিন্ন ভাষিক-সামাজিক গোটৰ লোকসকল বিভিন্নতাৰ মনোভাৱ এটা যেন গা কৰি উঠিবলৈ ধৰিলে। বিভিন্ন ৰাজনৈতিক ব্যক্তি আৰু দলে বিভিন্ন গোটৰ লোকৰ সমৰ্থন লাভৰ নিমিত্তে এনে বিচ্ছিন্নতাকামিতাক পৃষ্ঠপোষকতা দিবলৈ ধৰিলে। এনে পটভূমিত জনজাগৰণ প্ৰসমিত কৰিবৰ নিমিত্তে চৰকাৰে এক বহল আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সংহতি গঢ়ি তোলাৰ বাস্তৱ কাৰ্যপন্থা লোৱাৰ পৰিৱৰ্তে সম্প্ৰদায়-ভিত্তিক স্বায়ত্ত শাসন প্ৰদানৰ এক বিপদজনক সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু কাৰ্যকৰী কৰিবলৈ ধৰিলে। এই আটাইবোৰ ধামখুমিয়াৰ মাজত আমাৰ ৰাজ্যখনৰ সংহতিৰ আন্তঃগাঁঠনি দুৰ্বল হ'বলৈ ধৰিলে।

এনে এক পটভূমিত সমগ্ৰ ৰাজ্যখনৰ আৰ্থ-সামাজিক বিষয়বোৰৰ প্ৰকৃতি নিৰ্ণয় কৰি এটা ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰাৰ বাহিৰে আন উপায় নাই।

সমগ্ৰ ৰাজ্যখনৰ সাৰ্বিক স্বাৰ্থ ৰক্ষাৰ বাবে আৰু ৰাজ্যখনৰ সামগ্ৰিকভাৱে অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ বাবে সমগ্ৰ ৰাজ্যখন এক আঞ্চলিক জাতীয় চেতনাৰ জাগৰণ ঘটাবৰ বাবে বাস্তৱ কাৰ্যপন্থা গ্ৰহণ কৰিব লাগিব। থলুৱা বিভিন্ন সামাজিক গোটসমূহৰ নিজৰ নিজৰ অভাষিক-সাংস্কৃতিক বিকাশৰ আৰু পৰিচয় ৰক্ষাৰ অনুকূল পৰিৱেশ ৰচনা কৰিব লাগিব।

সমগ্ৰ ৰাজ্যখনৰ বিভিন্ন গোটৰ লোকসকলৰ মাজত সংযোগীকৈ ব্যৱহাৰ কৰাৰ বাট মুকলি ৰাখিব লাগিব। সমগ্ৰ অঞ্চলটোৰ স্বাৰ্থ চকুৰ আগত ৰাখিব পাৰিলে এনে ব্যৱস্থা নিঃসন্দেহে গ্ৰহণীয় হৈ থাকিব।

ইতিবাচক বহুত্ববাদী মনোভাৱেৰে পাৰস্পৰিক সন্মান আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তুলিব লাগিব। মানসিকভাৱে সমগ্ৰ ৰাজ্যখনক এক আঞ্চলিক ঐক্য গঢ় লৈ উঠিব বুলি আশা কৰিব পাৰি।

মূল অসমীয়া ভাষীসকলৰ মাজত ৰাজ্যখনৰ বিভিন্ন গোটৰ জনসাধাৰণৰ সমস্যা আৰু আকাংক্ষাসমূহ কেনেকৈ সমাধান আৰু পূৰণ কৰিব পাৰি সেই বিষয়েও এটা আন্তৰিক দৃষ্টিভংগী লাগিব।

বিদেশী প্ৰব্ৰাজনৰ যিটো ডাঙৰ সমস্যা সেই সমস্যাটোৰ ক্ষেত্ৰত চৰকাৰক ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীত কৰি বিদেশীসকলক চিনাক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য কৰাব লাগিব। দ্বিতীয়তে, বাংলাদেশ চৰকাৰৰ লগত ভাৰত চৰকাৰৰ আনুষ্ঠানিক চুক্তিৰে বাংলাদেশী নাগৰিক বুলি সম্পূৰ্ণ চিনাক্ত কৰা সকলক ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক বাধ্য কৰাব লাগিব। তৃতীয়তে, যিসকল লোকক বহিষ্কাৰ কৰাৰ কোনো উপায় পোৱা নাযায় সেই সকলক ভোটাদিকাৰৰ পৰা বঞ্চিত কৰি ৰখাৰ

ব্যৱস্থা কৰিব লাগিব। চতুৰ্থতে, চাপৰি অঞ্চলৰ জনসাধাৰণ যাতে ভাষিক অসমীয়া সমাজৰ লগত অভিন্ন হৈ পৰিব পাৰে তাৰ বাবেও ব্যৱস্থা ল'ব লাগিব। কোনো মৌলবাদী শক্তিয়ে বা ৰাজনৈতিক শক্তিয়ে যাতে ধৰ্মীয় আবেগ জগাই তুলি এইসকল লোকক পথভ্ৰষ্ট কৰিব নোৱাৰে আৰু বিচ্ছিন্ন কৰিব নোৱাৰে তাৰ বাবে চোকা দৃষ্টি ৰখাৰো ব্যৱস্থা কৰিব লাগিব। পঞ্চমতে, অবৈধ বিদেশী নাগৰিক চিনাক্তকৰণৰ ক্ষেত্ৰত পূব বংগীয় মূলৰ পৰা আহি ভাৰতীয় তথা অসমীয়া হোৱা লোকসকলক দায়িত্ব দিয়াৰো ব্যৱস্থা কৰিব লাগিব। চাহ শ্ৰমিকসকলৰ মাজত যিবোৰ নতুন উগ্ৰবাদী ৰাজনৈতিক শক্তি সোমাবালৈ যত্ন কৰিছে এই শক্তিবোৰ প্ৰতিহত কৰি তেওঁবিলাকক ৰক্ষা কৰিব লাগিব। ষষ্ঠতে, আঞ্চলিক, ৰাজনৈতিক, সাংস্কৃতিক আদৰ্শৰে সমগ্ৰ ৰাজ্যখনৰ মানুহক মানসিকভাৱে একেলগ কৰি লোৱাৰ ওপৰতহে এই সমগ্ৰ লক্ষ্য পূৰণৰ বাট ওলোৱাৰ সম্ভাৱনা থাকিব।

আঞ্চলিকতাবাদ হ'ল একোটা অঞ্চলৰ সামগ্ৰিক, আৰ্থ-সামাজিক বিকাশৰ বাবে গ্ৰহণ আৰু প্ৰয়োগ কৰা আদৰ্শ। অঞ্চলটোত থকা বিভিন্ন ভাষা, ধৰ্ম, সম্প্ৰদায়ৰ লোকৰ মাজত সমগ্ৰ অঞ্চলটোৰ উন্নয়নৰ লক্ষ্য আৰু সংৰক্ষণ আৰু সংবৰ্ধনৰ স্বাৰ্থ জগাই তুলিব পাৰিব লাগিব। আঞ্চলিকতাবাদৰ লক্ষ্য অন্য অঞ্চলৰ প্ৰতি দ্বেষ-বিদ্বেষৰ মনোভাৱ গ্ৰহণ কৰা নহয়।

ভাৰতবৰ্ষৰ দৰে ৰাজ্যত স্বাধীনতা লাভৰ পিছৰ পৰা উত্তৰ ভাৰতীয়সকলে সকলো ক্ষেত্ৰতে লাভ কৰি অহা সিংহভাগে দক্ষিণ আৰু পূব ভাৰতবৰ্ষত, বিশেষকৈ উত্তৰ-পূব ভাৰতত অসন্তুষ্টি সৃষ্টিত কম ইন্ধন যোগোৱা নাই। তাৰ ফলতে এই অঞ্চলবোৰত আঞ্চলিক ৰাজনৈতিক দল গঢ়ি উঠিল। এই দলসমূহে কোনে ক'ত কিমান কাম কৰিছে, কোন কিমান সফল বা বিফল হৈছে সেইটো ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল অঞ্চলে অঞ্চলে গঢ়ি উঠা অসন্তুষ্টিৰ ফলত বিচ্ছিন্নতাক আমি গোটৰো সৃষ্টি হ'বলৈ ধৰিলোঁ। ইয়াৰ ঘাই কাৰণবোৰ যদি বিচাৰি উলিয়াই তাত দূৰ কৰাৰ যত্ন নহয়, এনে বিচ্ছিন্নতাকামিতা ৰোধ কৰাৰো কোনো উপায় নাথাকে। এতেকে প্ৰতিখন ৰাজ্যই যাতে প্ৰতিৰক্ষা, যোগাযোগ, মুদ্ৰা, বৈদেশিক নীতি এইকেইটা বিষয় বাদ দি কেন্দ্ৰীয় শাসনৰ হেঁচাৰ পৰা আৱশ্যকীয় পৰিমাণৰ অৰ্থাৎ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক বিকাশৰ বাবে স্বতন্ত্ৰতা লাভ কৰিব পাৰে। তেতিয়াহে সমগ্ৰ অঞ্চলটোৰ সাৰ্বিক, মংগল, সাৰ্বিক উন্নয়ন আৰু বিকাশ সম্ভৱ হৈ পৰিব।

অসমৰ ক্ষেত্ৰত কোন বড়ো, কোন মিচিং, কোন ডিমাচা, কোন তিৱা, কোন দেউৰী, কোন কোঁচ, কলিতা, আহোম, চুতীয়া, গোসাঁই, ব্ৰাহ্মণ এই পৰিচয় নিজৰ নিজৰ থাকিলেও সামগ্ৰিকভাৱে প্ৰত্যেকটো সামাজিক গোটেই যে অসমৰ এই ৰাজ্যিক অঞ্চলটোৰ সামূহিক জীৱনৰ অবিচ্ছেদ্য অংগ আৰু এই সকলোৱে সামূহিক ঐক্যইহে যে অঞ্চলটোৰ বিকাশ, উন্নয়ন আৰু সমৃদ্ধি সাধন কৰিব পাৰিব সেই লক্ষ্যৰ কথা মনৰ মাজত সুমাই দিব পাৰিব লাগিব। অৰ্থাৎ আঞ্চলিকতাবাদক সেই স্তৰলৈ নিব পাৰিলেহে আমাৰ সামগ্ৰিক স্বাৰ্থ সুৰক্ষিত হ'ব। অৰ্থাৎ এক নতুন আঞ্চলিক সামূহিক জাতীয় চেতনা গঢ়ি তুলিবই লাগবি। এনে জাতীয় চেতনাইহে সমগ্ৰ অঞ্চলটোৰ বাবে উন্নতিৰ সিংহদুৱাৰ খুলি দিব পাৰিব। অসমৰ অভিবাসীসকলক, অসমৰ চাহ বাগিচাৰ লোকসকলক এনে এক চেতনাৰ অধিকাৰী হোৱাৰ বাট খুলি দি 'খিলঞ্জীয়া' কৰি ল'ব পাৰিব লাগিব। কোনোবাই প্ৰশ্ন কৰিব পাৰে, বিভিন্ন জাতিসত্তাৰ মাজত এটা জাতীয় চেতনা কেনেকৈ গঢ়ি তুলিব পাৰি? নোৱাৰাৰ কোনো কাৰণ নাই। লাগে কেৱল আন্তৰিকভাৱে থকা পাৰস্পৰিক সন্মান আৰু সহযোগিতাৰ মনোভাৱ। বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সাধন কৰিব নোৱাৰিলে আমি আমাৰ জাতীয় জীৱনত সৃষ্টি হোৱা ভগ্নাংশ কৰিব কেনেকৈ? আমাৰ বৈচিত্ৰ্যই জাতীয় জীৱনৰ অলংকাৰ - এই সত্যটো মনত ৰাখি আমি ঐক্যবদ্ধ তথা সন্মিলিত 'অসম জাতীয় চেতনা' এটা ৰূপ দিব পাৰিলেহে আমাৰ জাতীয় জীৱনৰ সিংহদুৱাৰ খোল খাব। তাকে কৰিব নোৱাৰিলে ভাই-ভাই মই-মই হৈ আমি কালৰ সোঁতত উটি যাবলৈ সাজু হৈ থাকিব লাগিব।

ডিম্বেশ্বৰ নেওগে কৈছিল, "মৰে অসম জীয়ে কোন?

জীয়ে অসম মৰে কোন?"